**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাগত অসম ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শীৰ্ষ বিষয়াৰ সৈতে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত আলোচনাত মিলিত হয়। ড° শৰ্মাই লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপত অংশ ল'বলগীয়া জনসভাৰ স্থলী পৰিদৰ্শন কৰি সবিশেষ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে সেইদিনা নামৰূপত ১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ **এমোনিয়া ইউৰীয়া প্ৰকল্প**ৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পই ৰাজ্যখনৰ ঔদ্যোগিক আৰু সামাজিক ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপৰ সূচনা কৰি সাৰ উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰে অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি বিয়লি নামৰূপত ভাৰতীয় জনতা পাৰ্টিৰ নাহৰকটীয়া সমষ্টিৰ জয়পুৰ মণ্ডলৰ এটা কাৰ্যালয় ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মন্ত্ৰী পীযুষ হাজৰিকা, প্ৰশান্ত ফুকন, বিধায়ক তৰংগ গগৈ, তেৰছ গোৱালায়ো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত চৰকাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰিব। এই আঁচনিৰ দ্বাৰা ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব।

০০০০০০

অচিনাকী মানুহক মাটি বিক্ৰী কৰিলে জাতিটোৰ ভৱিষ্যত পংগু হৈ পৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক সতৰ্কবাণী শুনাইছে। জাতিটোক জীয়াই ৰাখিবলৈ নিৰন্তৰ সংগ্ৰাম কৰি যাব লাগিব বুলি উল্লেখ কৰি আৰ্থিক অসুবিধা হ'লেও অচিনাকী মানুহক মাটি বিক্ৰী নকৰিবলৈ আৰু ব্যৱসায়, উদ্যোগ আদিত অচিনাকী মানুহক নিয়োগ নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আহ্বান জনাইছে। ৰাজ্যৰ অৰ্থনীতি, মাটি, সংস্কৃতি আনৰ হাতত এৰি দিয়া জাতিৰ বহ্নিমান শিখা নিৰ্বাপিত হ'বলৈ বেছি সময় নালাগে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কালি নিজৰ জাতি, মাটি আৰু ভেটি ৰক্ষাৰ বাবে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোককে সজাগ সচেতন হ'বলৈ আহ্বান জনায়। গুৱাহাটীৰ বৰাগাঁৱত কালি অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত নিৰ্মাণ কৰা ছহিদ স্মাৰক উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই কালি ৰাজ্যজুৰি ছহিদ দিৱস পালন কৰা হয়। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ জীৱন হেৰুওৱা আৰু কাললৈ ঘূণীয়া হোৱা ৮ শতাধিক লোকৰ ত্যাগ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। ১৯৮৫ চনত অসম চুক্তি

স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰি মুঠ ৮৬০ গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে।

oooooo

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্যোগত ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত কালি আয়োজিত বিজয় দিৱসৰ কাৰ্যসূচীত বায়ু সেনা বাহিনীৰ মুৰব্বী এয়াৰ ছীফ মাৰ্ছেল অমৰপ্ৰীত সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰব্বীগৰাকীয়ে এই আয়োজনক অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি কয়, যে এই দিৱসে ১৯৭১ চনৰ ভাৰত-পাকিস্তানৰ যুদ্ধত ভাৰতীয় সেনা-জোৱানসকলৰ পৰাক্ৰম আৰু ত্যাগৰ প্ৰতি দেশবাসীয়ে জনোৱা শ্ৰদ্ধাক প্ৰতিফলিত কৰে।

**বাইট**

তেওঁ কয়, যে অপাৰেচন সিন্দূৰ এতিয়াও অব্যাহত আছে আৰু ভাৰতীয় বায়ু সেনা বাহিনী যিকোনো বহিঃ শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু। কালি এই অনুষ্ঠানত এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হয়। এয়াৰ শ্ব'ত ছুখয়, এন্তন'ভ, এন -32 পৰিবহণ বিমান, চিনুক, হেভিলীড হেলিকপ্তাৰ আৰু মীগ ১৭ হেলিকপ্তাৰে উৰণ কৌশল প্ৰদৰ্শন কৰে। ১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ৰ চিনস্বৰূপে বায়ু সেনা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডৰ মুখ্য কাৰ্যালয়ে আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত প্ৰাক্তন সৈনিক, স্কুলীয়া শিক্ষাৰ্থী আৰু ভালেসংখ্যক অসামৰিক লোকে অংশগ্ৰহণ কৰে।

oooooo

সমাপ্ত